No. of Printed Pages—4

747 (ASN)

[18–HRGPKAC–M1S (N)]

MA 1st Semester (New Course) Exam., 2018

ASSAMESE

[PGAS (S1) 03]

(অসমীয়া নাটক)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলত দিয়া প্ৰশ্নসমূহৰ অতি চমু উত্তৰ *এটা* বা *দুটা* বাক্যত লিখক : 1×8=8

(i) 'নান্দীশ্লোক' মানে কি ?

(ii) হৰিদাস ভাটে 'ৰুক্মিণী হৰণ' নাটকত কি কাৰ্য সাধন কৰিছে ?

(iii) মাধৱদেৱৰ নাটৰ মুখ্য চৰিত্ৰ কোন ?

(iv) দ্বিজ মহীন্দ্ৰই ৰচনা কৰা 'বোধোদয়' নাটখনিৰ বিষয়বস্তু কি ?

(v) 'ৰাম-নৱমী' নাটকখনৰ লগত ইংৰাজ নাট্যকাৰ শ্বেইক্সপীয়েৰৰ কোনখন নাটকৰ সামঞ্জস্য আছে ?

(vi) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা নাটক ছয়খনৰ নাম লিখক ।

(vii) নাটকত 'পেষ্টিছ্' (Pastiche) শব্দটোৱে কি অৰ্থ সূচিত কৰে ?

(viii) অৰুণ শর্মাই কোনখন কিতাপৰ বাবে, কিমান চনত সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল ?

(b) তলৰ প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

(i) শংকৰদেৱে তেওঁৰ নাটসমূহত ব্যৱহাৰ নকৰা অভিধাটো হ'ল

(1) নাট

(2) যাত্ৰা

(3) অংকীয়া নাট

(4) নাটক

(ii) তলৰ কোনগৰাকী শংকৰোত্তৰ যুগৰ নাট্যকাৰ নহয় ?

(1) দৈত্যাৰি ঠাকুৰ

(2) যদুমণি দেৱ

(3) ধর্মদেৱ ভট্ট

(4) ভৱদেৱ মহন্ত

(iii) তলত উল্লেখ কৰা কোনখন পুথি জ্যোতিপ্রসাদ আগৰৱালাই ৰচনা কৰা নহয় ?

(1) কদমকলি

(2) সন্ধ্যা

(3) ঘোঁৰা ডাঙৰীয়া

(4) সোণতৰা

(iv) তলৰ কোনখন ভবেন্দ্রনাথ শইকীয়াৰ নাটক নহয় ?

(1) অমৃত

(2) আকাশ

(3) নীলকণ্ঠ

(4) গহ্বৰ

(c) খালী ঠাই পূৰ কৰক : 1×4=4

(i) ঘন ঘন _____ পৰয় বৰ নাৰী
ফোকাৰয় শ্বাস নয়ন জুৰে বাৰী॥

(ii) হিৰণ্যকশিপুৰ _____ পুত্রৰ ভিতৰত প্রহ্লাদ আছিল ভগৱান বিষ্ণুৰ একান্ত ভক্ত।

(iii) অসমীয়া পৌৰাণিক নাটকে স্বকীয় মহিমা লাভ কৰে _____ হাতত।

(iv) ইন্দুমতী হ'ল _____ জীয়ৰী।

2. তলৰ যি কোনো **পাঁচটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) মহাকাব্যিক নাটক বুলিলে কি বুজে ?

(b) কল্পচিত্রময়ী নাটক সম্পর্কে চমুকৈ লিখক।

(c) 'ৰূপালীম' নাটকৰ ৰিমু চৰিত্রটোৰ বিষয়ে এটি টোকা প্রস্তুত কৰক।

(d) 'নিমাতী কইনা' নাটকখনক ৰূপকধর্মী নাটক বুলিব পাৰিনে? যুক্তি আগবঢ়াওক।

(e) শংকৰোত্তৰ যুগৰ নাটৰ চাৰিটা প্রধান বৈশিষ্ট্য উল্লেখ কৰক।

(f) অংকীয়া নাটত সূত্রধাৰে কি কি কার্য সাধন কৰে? চমুকৈ উল্লেখ কৰক।

3. তলৰ যি কোনো **চাৰিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) 'অর্জুন-ভঞ্জন' নাটখনিৰ মূল ৰস কি? নাটখনত সেই ৰসৰ সঞ্চাৰ কিদৰে হৈছে?

(b) 'অর্জুন-ভঞ্জন' নাটখনিত মাতৃ-পুত্রৰ চিৰশাশ্বত সম্পর্কটো কেনেদৰে ফুটি উঠিছে? বিশ্লেষণ কৰক।

(c) আধুনিক অসমীয়া নাটকত দেখা পোৱা নতুন দিশসমূহৰ বিষয়ে লিখক।

(d) ঐতিহাসিক নাটক মানে কি? প্রাক্-স্বাধীনতা কালৰ অসমীয়া ঐতিহাসিক নাটক সম্পর্কে চমুকৈ লিখক।

(e) নাটকত লোককলাৰ সমল কেনেদৰে ব্যৱহাৰ কৰা হয় সেই বিষয়ে এটি টোকা প্রস্তুত কৰক।

4. তলৰ যি কোনো **তিনিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) এখন সার্থক এবছার্ড নাটক হিচাপে 'আহাৰ' নাটকখন প্রতিপাদন কৰক।

(b) 'এজাক জোনাকীৰ জিলমিল' নাটকখনৰ পুৰুষ চৰিত্রকেইটাৰ এটি তুলনামূলক বিশ্লেষণ প্রস্তুত কৰক।

(c) 'নৰকাসুৰ' নাটকৰ বসুমতী চৰিত্রটো বিশ্লেষণ কৰক।

(d) 'ৰাম-নৱমী' নাটকখনক সার্থক ট্রেজেডি আখ্যা দিব পাৰিনে? আলোচনা কৰক।

5. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) শোষক আৰু শোষিতৰ মাজৰ সংঘাত 'মহাৰাজা' নাটকখনত কেনেদৰে বৰ্ণিত হৈছে, আলোচনা কৰক।

(b) 'ৰূপালীম' নাটকখনৰ আধাৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকৰ প্ৰধান বৈশিষ্ট্য সম্পৰ্কে বহলাই লিখক।

(c) শংকৰোত্তৰ কালৰ এখন উল্লেখযোগ্য নাট হিচাপে দৈত্যাৰি ঠাকুৰৰ 'নৃসিংহ যাত্ৰা' নাটখনিৰ এটি সমীক্ষা আগবঢ়াওক।

(d) অংকীয়া নাটৰ ভাষা সম্পৰ্কে চমুকৈ আলোচনা আগবঢ়াই 'ৰুক্মিণী হৰণ' নাটখনিত সেয়া কেনেদৰে ৰক্ষিত হৈছে, উদাহৰণসহ বুজাই লিখক।

★★★